# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - -**

১। অসমে চুবুৰীয়া ৰাজ্য মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ সৈতে কৰা বুজাবুজিৰ চুক্তি মতে ভূমি জৰীপৰ কাম অব্যাহত আছে বুলি বিধানসভাত মন্ত্ৰী অতুল বৰাৰ প্ৰকাশ।

২। আঞ্চলিক ৰাজভাষা সন্মিলনত ভাষাৰ গুৰুত্বৰ বিষয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আলোকপাত।

৩। গুৱাহাটী পৌৰ নিগমৰ চলিত বিত্তীয় বৰ্ষত বৰ্তমানলৈকে ৮০ কোটি টকাৰ সম্পত্তি কৰ সংগ্ৰহ।

৪। চতুৰ্থ জাপান উত্তৰ-পূৰ্বাঞ্চল বহনক্ষম প্ৰযুক্তি সহযোগিতা সন্মিলনৰ অংশ হিচাপে আজি জাপানৰ এটা প্ৰতিনিধি দলৰ গুৱাহাটী বিশ্ববিদ্যালয় ভ্ৰমণ ।

**আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে নিউজিলেণ্ডৰ ৩৬৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০০

ৰাজ্য চৰকাৰে প্ৰতিবেশী ৰাজ্যসমূহৰ সৈতে দীৰ্ঘদিনীয়া সীমা বিবাদ নিষ্পত্তি কৰাৰ লগতে দখল কৰি থকা এলেকাসমূহ বেদখল কৰাৰ বাবে চলি থকা আলোচনা অন্তিম পৰ্যায়ত আছে। কংগ্ৰেছ বিধায়ক ৰেকিবউদ্দিন আহমেদৰ এটা তৰাযুক্ত প্ৰশ্নৰ উত্তৰত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি বিধানসভাত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে অসম-মেঘালয় আৰু অসম-অৰুণাচল প্ৰদেশৰ বুজাবুজিৰ চুক্তি মতে ভাৰতীয় জৰীপ বিভাগে বৰ্তমান ভূমি জৰীপৰ কাম কৰি আছে আৰু এই জৰীপৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতহে ভূমিৰ সম্পূৰ্ণ তথ্য পোৱা যাব। মন্ত্ৰীগৰাকীয়ে কয় যে অসম-মেঘালয়ৰ মাজত ১২টা এলেকাত সীমা বিবাদ আছে। এই ১২টা এলেকাৰ ভিতৰত প্ৰথম পৰ্যায়ত ছটা অঞ্চলৰ বাবে তিনিখনকৈ আঞ্চলিক কমিটী গঠন কৰা হৈছে আৰু দুয়োখন ৰাজ্যৰে আঞ্চলিক কমিটীবোৰে সীমান্ত এলেকাসমূহ যুটীয়াভাৱে পৰিদৰ্শন আৰু স্থানীয় লোকৰ সৈতে আলোচনা কৰি পাৰস্পৰিক মত বিনিময়েৰে নিজ নিজ চৰকাৰক প্ৰতিবেদন দাখিল কৰিছে। সেই অনুযায়ী দুয়োখন ৰাজ্যৰ চৰকাৰৰ যুটীয়া সিদ্ধান্ত মৰ্মে আন্তঃৰাজ্যিক সীমা বিবাদ নিষ্পত্তি কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। মেঘালয়ে দাবী কৰা ছটা অঞ্চল সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত নতুন দিল্লীত বুজাবুজি চুক্তি কৰা হৈছে। সেইদৰে অসম-অৰুণাচল প্ৰদেশৰ সীমা বিবাদ নিষ্পত্তি কৰিবলৈ দুয়োখন ৰাজ্য চৰকাৰে ১২খনকৈ আঞ্চলিক কমিটী গঠন কৰিছে। এই কমিটীসমূহেও প্ৰতিবেদন দাখিল কৰিছে। অৰুণাচল প্ৰদেশে দাবী কৰা ১২৩খন গাঁও সম্পৰ্কে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত ইতিমধ্যে চুক্তিও সম্পাদন হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

০০০০০০

অসম চুক্তি অনুসৰি ৰাজ্যখনত যোৱা ৩১ জানুৱাৰী পৰ্যন্ত ১ লাখ ৬৫ হাজাৰ ৯৯২জন লোকক বিদেশী বুলি চিনাক্ত কৰা হৈছে আৰু ইয়াৰে ৩০ হাজাৰ ১১৫জনক বহিস্কাৰ কৰা হৈছে। অসম বিধানসভাত আজি অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এটা প্ৰশ্নৰ উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বিধায়কগৰাকীৰ আন এটা প্ৰশ্নৰ

উত্তৰত কয় যে সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ পৰা লাভ কৰা তথ্য অনুসৰি ভাৰত-বাংলাদেশ সীমান্তৰ ২৬৭ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ অঞ্চল ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, শ্ৰীভূমি জিলাৰ সৈতে সংলগ্ন হৈ আছে। এই সীমান্ত অঞ্চলৰ ২২৮ কিলোমিটাৰৰো অধিক এলেকাত কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে আৰু বাকী থকা অংশ নদী অঞ্চল হোৱা হেতুকে বেৰ নিৰ্মাণ কৰিব পৰা হোৱা নাই। শ্ৰীভূমি জিলাৰ কুচিয়াৰা নদীৰ পাৰত ভাৰতীয় লোকৰ বসতি থকা চাৰে চাৰি কিলোমিটাৰ অংশত বাংলাদেশৰ সীমান্ত সুৰক্ষা বাহিনীয়ে আপত্তি দৰ্শোৱা বাবে বেৰ নিৰ্মাণ কৰিব পৰা হোৱা নাই বুলি মন্ত্ৰী বৰাই প্ৰকাশ কৰে। অৱশ্যে নদী অঞ্চলসমূহত সীমান্ত সুৰক্ষা বাহিনীয়ে সৰ্বাত্মক সংহত সীমান্ত ব্যৱস্থাপনা আৰু নৌকা পৰ্যবেক্ষণ চকী স্থাপন কৰি জলভাগ নিৰীক্ষণ কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

ইপিনে, অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত সমিতিয়ে আগবঢ়োৱা ৬৭টা পৰামৰ্শৰ ৫২টা ৰূপায়ণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ইয়াৰ বাবে দুলানি বৈঠক অনুষ্ঠিত কৰি কাৰ্যপৰিকল্পনাৰ ৰূপৰেখা তৈয়াৰ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

00000

ভাষাই সংস্কৃতিক প্ৰতিনিধিত্ব কৰে আৰু এটা ভাষাৰ মৃত্যু মানে এটা সভ্যতাৰ মৃত্যু। গৃহ মন্ত্ৰালয়ৰ ৰাজভাষা বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ সোণাপুৰত আয়োজিত পূব আৰু উত্তৰ-পূব ক্ষেত্ৰৰ যুটীয়া আঞ্চলিক ৰাজভাষা সন্মিলনত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে হিন্দী ভাষা অসমৰ জনসাধাৰণৰ চিনাকী ভাষা আৰু এই ভাষা আলংকৰিক হোৱাৰ পৰিৱৰ্তে সহজে বোধগম্য হোৱা উচিত। কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়ৰ উপৰি ৰাজ্য চৰকাৰ কাৰ্যালয়সমূহতো হিন্দী ভাষাৰ কাৰ্যসূচী আয়োজন কৰা উচিত বুলি তেওঁ পৰামৰ্শ আগবঢ়ায়। সন্মিলনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে ভাষা-সংস্কৃতি এখন ৰাষ্ট্ৰৰ আত্মা আৰু পৰিচয় স্বৰূপ। তেওঁ লগতে জনসাধাৰণে যোগাযোগৰ বাবে আন ভাৰতীয় ভাষাৰ লগতে হিন্দী ভাষাও ব্যৱহাৰ কৰা উচিত বুলি মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে আমি জনসাধাৰণৰ সৈতে তেওঁলোকৰ ভাষাত যোগাযোগ কৰিলেহে আমাৰ গণতন্ত্ৰ বৰ্তি থাকিব আৰু প্ৰসাৰ লাভ কৰিব। ৰাজ্য চৰকাৰৰ কাৰ্যালয়সমূহে ৰাজ্যিক চৰকাৰী ভাষাৰ লগতে হিন্দী ভাষাও প্ৰয়োগ কৰা উচিত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। সন্মিলনত দৰং-ওডালগুৰিৰ সাংসদ দিলীপ শইকীয়া, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু আন ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সন্মিলনত বিভিন্ন চৰকাৰী কাৰ্যালয়, বেংক তথা অন্যান্য প্ৰতিষ্ঠানসমূহত চৰকাৰী ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত কৰা উল্লেখনীয় কামৰ বাবে ৪৮ গৰাকী লোকক বঁটা প্ৰদান কৰা হয়।

00000

গুৱাহাটী পৌৰ নিগমে চলিত বিত্তীয় বৰ্ষত বৰ্তমানলৈকে ৮০ কোটি টকাৰ সম্পত্তি কৰ সংগ্ৰহ কৰিছে। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি পৌৰ নিগমৰ উজান বজাৰৰ মুখ্য কাৰ্যালয়ত আয়োজিত এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে।

তেওঁ লগতে কৰ আদায় দিবলৈ বাকী থকাসকলক ২০ মাৰ্চৰ ভিতৰত ধন পৰিশোধ কৰিবলৈ আহ্বান জনায়, অন্যথা ২০ শতাংশ পৰ্যন্ত জৰিমনা ভৰিব লাগিব বুলি সকিয়াই দিয়ে। তেওঁ কয় যে ২০২৪-২৫ বৰ্ষত গুৱাহাটীৰ হোল্ডিং নম্বৰ থকা ১ লাখ ৬০ হাজাৰ ঘৰৰ ভিতৰত ১ লাখ ১০ হাজাৰ ঘৰৰ পৰা কৰ সংগ্ৰহ কৰা হৈছে আৰু দোকানসমূহৰ পৰা ২৭ কোটি টকা কৰ হিচাপে লাভ কৰা হৈছে। তেওঁ কয় যে যিসকলে এপ্ৰিলৰ ভিতৰত ২০২৫-২৬ বৰ্ষৰ সম্পত্তি কৰ আদায় দিব তেওঁলোকে ১০ শতাংশ আৰু মে' মাহত আদায় দিয়াসকলে ৫ শতাংশ ৰেহাই লাভ কৰিব। ইয়াৰ বিপৰীতে যিসকলে বছৰৰ ধন বছৰত নিদিয়ে তেওঁলোকে ২০ শতাংশ পৰ্যন্ত জৰিমনা আদায় দিব লাগিব। এই সন্দৰ্ভত শ্ৰীশৰণীয়াই এইদৰে কয় -

**বাইট**

এতিয়াও প্ৰায় ২৫ হাজাৰ ব্যৱসায়ীৰ বৈধ বাণিজ্যিক অনুজ্ঞাপত্ৰ নাই বুলি উল্লেখ কৰি মেয়ৰগৰাকীয়ে মে' মাহৰ ভিতৰত নবীকৰণ নকৰা ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ অনুজ্ঞাপত্ৰ বাতিল বা বন্ধ কৰা হ'ব বুলি সকিয়াই দিয়ে।

০০০০০

চতুৰ্থ জাপান উত্তৰ-পূৰ্বাঞ্চল বহনক্ষম প্ৰযুক্তি সহযোগিতা সন্মিলনৰ অংশ হিচাপে আজি জাপানৰ বিশ্ববিদ্যালয়, উদ্যোগ, চৰকাৰী প্ৰতিষ্ঠান আৰু জাপান দূতাবাসৰ প্ৰতিনিধিৰ এটা ১৮ জনীয়া দলে গুৱাহাটী বিশ্ববিদ্যালয় ভ্ৰমণ কৰে। আই আই টি গুৱাহাটী আৰু জাপানৰ জিফু বিশ্ববিদ্যালয়ৰ যুটীয়া উদ্যোগত আয়োজিত এই অনুষ্ঠানে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল আৰু জাপানৰ মাজত শৈক্ষিক আৰু ঔদ্যোগিক সম্পৰ্ক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰা হৈছে। প্ৰতিনিধি দলটোৱে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ব'টানিকেল গাৰ্ডেন, একুৱা কালচাৰ আৰু জৈৱ বৈচিত্ৰ কেন্দ্ৰ ভ্ৰমণ কৰাৰ লগতে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য, পঞ্জীয়ক আৰু বিভিন্ন বিভাগৰ শিক্ষক তথা ছাত্ৰসকলৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱৰ্তিত পৰিৱেশৰ লগতে বহনক্ষম অৰ্থনৈতিক উন্নয়নৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৩৭ খন বিছনাযুক্ত অত্যাধুনিক ৰোগী সেৱা সুবিধা থকা এটা ভৱনৰ আধাৰশিলা স্থাপন কৰে। অইল ইণ্ডিয়া লিমিটেডৰ ক'ৰ্পৰেট সামাজিক দায়বদ্ধতাৰ অংশ হিচাপে সংযোজন হোৱা ৪ মহলীয়াকৈ নিৰ্মাণ কৰিবলগীয়া এই ভৱনটো সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰোগীসকলক উন্নত চিকিৎসা সেৱা প্ৰদান কৰিব পৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ৰাষ্ট্ৰীয় লোক আদালতৰ অংশ হিচাপে অহা ৮ মাৰ্চত ৰাজ্যৰ বিভিন্ন অংশত লোক আদালতৰ আয়োজন কৰা হৈছে। সেইদিনা ডিব্ৰুগড়ৰ ফুলবাগানস্থিত আদালত চৌহদত লোক আদালত অনুষ্ঠিত কৰা হ'ব। অসম ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সৌজন্যত আয়োজিত এই লোক আদালতত সৰু-সুৰা গোচৰ, চেক বাউন্সৰ গোচৰ, মটৰ দুৰ্ঘটনাজনিত গোচৰ, বুজাবুজি আৰু সমিলমিলৰ মাজেৰে সমাধান কৰা হ'ব। ডিব্ৰুগড় জিলা আইনী প্ৰাধিকৰণৰ সচিবে এই লোক আদালতৰ সুবিধা গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। কোকৰাঝাৰ জিলাৰ বিভিন্ন বেংক, এ পি ডি চি এল আৰু বি এছ এন এলৰ ঋণ আদায় সম্পৰ্কীয় গোচৰৰ নিষ্পত্তিৰ বাবে ৮ মাৰ্চত লোক আদালতৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আগতীয়াকৈ গোচৰ নিষ্পত্তিৰ বাবে বেংকৰ শাখা, এ পি ডি চি এল আৰু বি এছ এন এলৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিবলৈ কোৱা হৈছে। একেদৰে লোক আদালতত মীমাংসা কৰিব পৰা ফৌজদাৰী মোকৰ্দমা, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ সম্পৰ্কীয় গোচৰ, দেৱানী মোকৰ্দমা আদি নিষ্পত্তিৰ বাবেও পদক্ষেপ লোৱা হৈছে। জনসাধাৰণে বিতং তথ্যৰ বাবে কোকৰাঝাৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিব পাৰে। হোজাইতো ৮ মাৰ্চত লোক আদালতৰ আয়োজন কৰা হৈছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালিৰে পৰা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কৰ্মচাৰীসকলে সপ্তম দৰমহা আয়োগৰ পৰামৰ্শ অনুসৰি বেতনসহ বকেয়া প্ৰদান, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি সম-কাম, সম-বেতন আৰু সমান সুযোগ সুবিধাৰ দাবীত তিনিদিনীয়া কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ কৰিছে। বাক্সা জিলাৰ শালবাৰীৰ নিমুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি এন এইচ এমৰ অধীনত কৰ্মৰত চিকিৎসক তথা স্বাস্থ্যকৰ্মীসকলে প্ৰতিবাদ সাব্যস্ত কৰে।

ধুবুৰী জিলাৰ গোলকগঞ্জ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰতো শতাধিক চিকিৎসক, নাৰ্চ তথা স্বাস্থ্যকৰ্মীয়ে আজি প্ৰতিবাদী কাৰ্যসূচীত অংশ লয়। কামৰূপ জিলাত আজি দ্বিতীয় দিনা এহেজাৰৰো অধিক কৰ্মচাৰীয়ে কৰ্মবিৰতিত অংশ লয়।

শিৱসাগৰ, যোৰহাট, ধেমাজি, শিলচৰ, দক্ষিণ শালমাৰা মানকাচৰ, বৰপেটা, বজালী, নগাঁও আদি জিলাতো এন এইচ এমৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলেও প্ৰাপ্য অধিকাৰৰ দাবীত কৰ্ম বিৰতি কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাতৰি পোৱা গৈছে। স্বাস্থ্য কৰ্মীসকলৰ কৰ্মবিৰতিৰ ফলত জনসাধাৰণ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে।

০০০০০

মুখ্যমন্ত্ৰী দুৰ্নীতি নিবাৰক শাখাৰ এটা দলে অভিযান চলাই আজি বজালী জিলা আয়ুক্তৰ কাৰ্যালয়ৰ এগৰাকী সহকাৰী আয়ুক্তক উৎকোচ লোৱাৰ অপৰাধত গ্ৰেপ্তাৰ কৰিছে। দলটোৱে গৌৰৱ শেখৰ দাস নামৰ সহকাৰী আয়ুক্তগৰাকীক নিজ কাৰ্যালয়তে অতৰ্কিতে অভিযান চলাই উৎকোচ লৈ থকা অৱস্থাত হাতে-লোটে ধৰা পেলায়। বন বিভাগৰ দায়িত্বত থকা সহকাৰী আয়ুক্তগৰাকীক সম্প্ৰতি জেৰা কৰি থকা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে ইউ এছ্ টি এমৰ স্বত্বাধিকাৰী মহবুবুল হকৰ জামিন আবেদন সন্দৰ্ভত অহা ১১ মাৰ্চত কেচ ডায়েৰী দাখিল কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছে। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ পৰীক্ষাত অনিয়মৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত হকৰ জামিন আবেদনৰ শুনানি লৈ আজি ন্যায়ালয়ৰ ন্যায়াধীশ মানস ৰঞ্জন পাঠকৰ বিচাৰপীঠে এই নিৰ্দেশ দিয়ে। কেইবাঘণ্টা জুৰি হোৱা শুনানি কালত অভিযুক্তৰ হৈ অধিবক্তাই জামিন প্ৰদান কৰিবলৈ অনুৰোধ জনায়। ইয়াৰ বিপৰীতে চৰকাৰী পক্ষৰ অধিবক্তাই জামিনৰ তীব্ৰ বিৰোধিতা কৰে। উভয় পক্ষৰ যুক্ত শুনাৰ পাছত ন্যায়ালয়ে শ্ৰীভূমি জিলাৰ পাথাৰকান্দি থানাত অভিযুক্ত হকৰ বিৰুদ্ধে ৰুজু হৈ থকা গোচৰ সংক্ৰান্তত কেচ ডায়েৰী দাখিল কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিয়ে।

ooooo

অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত আজি দিনৰ ১১ বাজি ৬ মিনিটত এটা মজলীয়া ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য আছিল ৫ দশমিক ৭। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূকম্পন বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে মণিপুৰৰ ছুংদাঙৰ পৰা ২৯ কিলোমিটাৰ নিলগত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল। ম্যানমাৰতো এই ভূমিকম্পৰ জোকাৰণি অনুভূত হোৱা বুলি জানিব পৰা গৈছে।

ooooo

পাকিস্তানৰ লাহোৰত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩৬৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত নিউজিলেণ্ডে টছত জিকি প্ৰথমে  বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ছটা উইকেট হেৰুৱাই ৩৬২ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ৰছিন ৰবীন্দ্ৰই সৰ্বাধিক ১০৮ ৰাণ কৰে। কেন উইলিয়ামছনে ১০২ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ হৈ লুংগী এনগিডিয়ে তিনিটা আৰু কাগিছো ৰাবাডাই এটা উইকেট দখল কৰে। আজিৰ খেলখনৰ বিজয়ী দলটোৱে দেওবাৰে হ'বলগীয়া ফাইনেলত ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে কালি ডুবাইত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

ooooo

সমাপ্ত